
৫ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

অসম আদিত্য

২৮ বছৰ, ১৯৪৮ শক ■ মঙলবাৰ, ১২ মে', ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, May 12, 2026

# কানৈ কলেজত চাইবাৰ সুৰক্ষাৰ বক্তৃতানুষ্ঠান

ডিব্ৰুগড়, ১১ মে' ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ডিব্ৰুগড় বিমানঘাটিৰ উদ্যোগীক নিৰাপত্তা বিভাগৰ প্ৰায় ২৫ জন বিষয়া কৰ্মচাৰীৰ উপস্থিতিত আজি 'Cyber Security' বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰে। কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হৰজিন্দৰ সিঙে আঁত ধৰা অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি উদ্বোধনী ভাষণ প্ৰদান কৰে ডিব্ৰুগড়ৰ এছ এছ পি অভিজিৎ গৌৰৱে আজিৰ এই আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানৰ বিষয়বস্তু অতি প্ৰাসংগিক আৰু সময়োপযোগী হৈছে বুলি মত প্ৰকাশ কৰে। তেখেতে মত প্ৰকাশ কৰে যে বৰ্তমান সময়ত আমি সকলোৱে চাইবাৰ সুৰক্ষা বিষয়ে অৱগত হোৱাৰ লগতে দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা ম'বাইল ফোন, ইণ্টাৰনেট, বেংক সেৱা আজি সকলোবিলাক দিশৰ লগতে অতিকৈ গুৰুত্বপূৰ্ণ বিষয়টোৱেই হৈছে চাইবাৰ সুৰক্ষা। আমি যিমানেই নিজকে শিক্ষিত অথবা অভিজ্ঞতা সম্পন্ন বুলি বিবেচনা কৰোঁ কিন্তু প্ৰকৃতাৰ্থত বৰ্তমান সময়ত ইয়াৰ সম্পূৰ্ণ ওলোটা এখন প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। কাৰণ যিকোনো মুহূৰ্তত যিকোনো ব্যক্তি ব্যক্তিগত তথ্য-প্ৰযুক্তিৰ সহায়ত হেকাৰসকলে হেক্ কৰি জমাপুঁজি উধাও কৰাৰ লগতে মানৱ জীৱনক নিৰাপত্তাহীনতাৰ দিশে ঠেলি পঠাব পাৰে।




ভাষণ প্ৰসংগত তেখেতে লাভ কৰা বিভিন্ন অভিজ্ঞতা সকলোৱে আগত ব্যক্ত কৰি সকলোকে চাইবাৰ সুৰক্ষাৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি বৰ্তমান সময়ত বৃদ্ধি পোৱা চাইবাৰ আক্ৰমণ, অনলাইন জালিয়াতি, তথ্য চুৰি আৰু ডিজিটেল মাধ্যমৰ অপব্যৱহাৰৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজৰ মাজত চাইবাৰ সাক্ষৰতা, দায়িত্বশীল অনলাইন আচৰণ আৰু ডিজিটেল সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে সমাজৰ প্ৰতিজন ব্যক্তিয়ে চাইবাৰ সুৰক্ষা আৰু অনলাইন জালিয়াতিৰ পৰা নিজকে বচাই ৰাখিব পৰাকৈ সজাগ আৰু সক্ষম হোৱাটো অতি প্ৰয়োজনীয়। এনে প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আজি কম্পিউটাৰ বিজ্ঞান বিভাগে আয়োজন কৰা এই আন্তঃৰাষ্ট্ৰীয় বক্তৃতা অনুষ্ঠানটোৱে সময় উপযোগী হোৱাৰ লগতে সকলোকে সজাগ কৰি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকে মালয়েছিয়াৰ কুৱালালামপুৰ ইউনিভাৰ্ছিটি অৱ চাইঞ্চ এণ্ড টেকন'লজিৰ অধ্যাপক, প্ৰফেছৰ ৰমেশ চন্দ্ৰ শৰ্মা। তেওঁ চাইবাৰ সুৰক্ষা আৰু ডিজিটেল নিৰাপত্তাৰ বিভিন্ন দিশ সম্পৰ্কে এক তথ্যসমৃদ্ধ আৰু মনোগ্ৰাহী বক্তৃতা আগবঢ়ায়। মুখ্য বক্তা প্ৰফেছৰ শৰ্মাই বৰ্তমান সময়ত মানৱ জীৱনৰ আটাইতকৈ ভয়াৱহ আৰু ধ্বংসকামী অস্ত্ৰ হিচাপে চাইবাৰ আক্ৰমণ আৰু বিত্তীয় জালিয়াতি আমাৰ নিচিনা এখন তৃতীয় বিশ্বৰ ৰাষ্ট্ৰৰ দৈনন্দিন জীৱনত ঘটি থকা এটা ঘটনাৰ দৰে হৈ পৰিছে। ইয়াৰ মূল কাৰণ হিচাপে তেখেতে জনসাধাৰণৰ মাজত থকা অজ্ঞানতা আৰু চাইবাৰ সুৰক্ষাৰ প্ৰতি নথকা জ্ঞানৰ বাবে সংঘটিত হ'বলৈ পাইছে বুলি মত প্ৰকাশ কৰে। এনে ঘটনা কেৱল মাত্ৰ অশিক্ষিত লোকৰ মাজতে সীমাবদ্ধ নাথাকি বৰঞ্চ বহু শিক্ষিত ব্যক্তিও ইয়াৰ প্ৰকোপৰ পৰা সাৰি যাব পৰা নাই। এনে এক অনাকাংক্ষিত পৰিস্থিতিৰ পৰা কেনেকৈ ছাত্ৰ-ছাত্ৰী তথা সমাজৰ সাধাৰণ নাগৰিকসকলে নিজকে বচাই ৰাখিব পাৰে তাৰ বিভিন্ন উদাহৰণ আৰু প্ৰায়োগিক দিশৰ বিষয়ে বিশদভাৱে আলোচনা কৰাৰ লগতে ল'বলগীয়া সাৱধানতাসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে মানৱ জীৱনক যিদৰে সহজ কৰি তুলিছে ঠিক একেদৰে ইয়াৰ বিপৰীতে ভয়ংকৰ বিপদ চপাই আনিছে বুলি মত পোষণ কৰে। উক্ত অনুষ্ঠানত উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, সদস্য সচিব ড° জে. পি. ফুকনৰ লগতে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত কম্পিউটাৰ বিজ্ঞান বিভাগৰ দ্বিতীয় যাণ্মাসিকৰ ছাত্ৰী দিশা মজুমদাৰে শলাগৰ শৰাই জ্ঞাপন কৰে।